**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-04-2026
**Time :** 18-00 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। আজি পহিলা ব'হাগ। অসমীয়া নৱবৰ্ষৰ প্ৰথম দিনটোত বছৰটোলৈ কুশল কামনাৰে সত্ৰ, নামঘৰ, মন্দিৰ, দৌল-দেৱালয়ত ভক্তৰ সমাগম।

২। বড়োসকলৰ ৰংজালি বৈশাগু আৰু তিৱা জনগোষ্ঠীৰ পিচাক দমাচি পালন।

৩। বিহাৰৰ নতুন মুখ্যমন্ত্ৰী হিচাপে সম্ৰাট চৌধুৰীৰ শপতগ্ৰহণ। *আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰু, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ সন্মুখীন।

ooooo

ৰঙালী বিহুৰ আজি দ্বিতীয় দিনটো ৰাজ্যজুৰি মানুহ বিহু হিচাপে পালন কৰা হৈছে। ৰঙালীৰ পদূলিত অসমীয়া নৱবৰ্ষক আদৰি সকলোৱে আজি মাহ, হালধিৰে গা ধুই বছৰটোৰ বাবে মংগল কামনা কৰে। নিজৰ লগতে পৰিয়াল তথা সমাজৰ কুশল কামনাৰ বাবে আজি পুৱাৰে পৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ, নামঘৰ, মন্দিৰ, দৌল-দেৱালয় আদিত বহু লোকৰ সমাগম হৈছে। গুৱাহাটী মহানগৰীৰ মন্দিৰসমূহতো আজি পুৱাৰে পৰা নেদেখা জনৰ আশিস লোৱাৰ বাবে বহু লোক সমবেত হৈছে। খানাপাৰা, গণেশগুৰি আৰু লতাশিলৰ গণেশ মন্দিৰ, শক্তিপীঠ কামাখ্যা ধাম, উত্তৰ গুৱাহাটীৰ দৌল গোবিন্দ মন্দিৰকে ধৰি ধৰ্মীয় স্থানসমূহত বহু লোকে সেৱা জনাইছে। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঢোল, পেঁপা, গগনাৰ শব্দই মুখৰিত কৰি তুলিছে। আজি অসমবাসীয়ে হেঁপাহৰ বিহুৱান বিনিময় কৰি পৰস্পৰৰ কুশল কামনা কৰাৰ লগতে জ্যেষ্ঠজনৰ আশিস লয়। পিঠা-পনা, জা-জলপানেৰে অতিথি আপ্যায়ন কৰা হয়। বিভিন্ন ঠাইত মঞ্চ বিহুৰ কাৰ্যসূচী অনুষ্ঠিত হৈছে। উজনি অসমৰ আটাইকেইখন জিলা আৰু নামনি অসমতো বিহু উপলক্ষে আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে।

বছৰটো কুশলে যোৱাৰ কামনাৰে মাজুলীৰ সত্ৰসমূহত ধূপ-চাকি লগাই সেৱা আগবঢ়োৱা হয়। ঐতিহাসিক শ্ৰীশ্ৰীআউনীআটী সত্ৰত গুৰু শিস্যৰ ৩৭৩ বছৰীয়া পৰম্পৰা ৰক্ষা কৰি ভকত বৈষ্ণৱৰ গুৰু সেৱা অনুষ্ঠিত হয়। সত্ৰখনৰ গোবিন্দ মহাপ্ৰভূৰ চৰণত কপৌ ফুল অৰ্পনেৰে অসমবাসীয়ে কুশল মংগল কামনা কৰি সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱগোস্বামীৰ আশীৰ্বাদ লয়। পুৱাৰে পৰা সত্ৰখনলৈ অসমৰ ভিন্ন প্ৰান্তৰ ভকত বৈষ্ণৱৰ আগমন পৰিলক্ষিত হয়।

উজনি মাজুলীৰ মুদৈবিল অঞ্চলৰ নৱ-ৰতনপুৰ টকৌবাৰী চুবুৰীৰ যুৱতী আৰু আইসকলে প্ৰতি বছৰে বহাগৰ প্ৰথম দিনটোত বোকা বিহু উদযাপন কৰে। অঞ্চলটোৰ ৰাইজে বছৰ বছৰ ধৰি চলি অহা এই পৰম্পৰা ৰক্ষা কৰি বোকা খেলি, প্ৰতি ঘৰে ঘৰে সোমাই গৃহস্থক বোকা সানি চোতালত বিহুনাম এফাকি গাই আনন্দ কৰে। এই বোকা বিহু পালন সন্দৰ্ভত আউনীআটী সত্ৰৰ এগৰাকী বৈষ্ণৱে এনেদৰে কয়—

**বাইট (বৈষ্ণৱ)**

যোৰহাট জিলাৰ ঐতিহাসিক ঢেকীয়াখোৱা বৰনামঘৰতো আজি পুৱাৰে পৰা ভক্তৰ ভিৰ পৰিলক্ষিত হয়। ভক্তসকলে বৰনামঘৰত অক্ষয় বন্তিৰ সন্মুখত ধূপ-দীপ আৰু নৈবেদ্যৰে সেৱা লয়।

গোলাঘাট জিলাৰ বোকাখাতৰ ঐতিহাসিক শ্ৰীশ্ৰীচিকণ আতা থান, আঠখেলীয়া নামঘৰ, খনিকৰ পুথি নামঘৰ আদিত পুৱাই বিহু উপলক্ষে অগণন ভক্তৰ ভিৰ দেখা যায়। পহিলা ব'হাগৰ দিনটোত আটাইয়ে ভগৱানৰ আশিস বিচাৰি শৰাই, নৈবেদ্য আগবঢ়ায়।

শিৱসাগৰ জিলাত সদৌ টাই আহোম ছাত্ৰ সন্থাৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত আৰু ৰংপুৰবাসীৰ সহযোগত ৰংঘৰ বাকৰিত আজি দিনজোৰা কাৰ্যসূচীৰে ৰঙালী বিহু পালন কৰিছে। পুৱা প্ৰতীকি স্বৰ্গদেউক লৈ ঐতিহাসিক তলাতল ঘৰৰ পৰা ৰংঘৰ বাকৰিলৈ সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। বিহুৰ লগত সংগতি ৰাখি ৰংপুৰৰ ৰণশিঙা শীৰ্ষক এখন স্মৃতি গ্ৰন্থ উন্মোচন কৰা হয়। অনুষ্ঠানত চৰাইদেউ হুঁচৰি দল, নিমাইজান আৰু বকতা হুঁচৰি দলৰ প্ৰদৰ্শনে ৰংঘৰৰ বাকৰি জীপাল কৰি তোলে। গড়গাঁৱৰ কাৰেং ঘৰৰ বাকৰিতো অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ উদ্যোগত মুকলি বিহু উদযাপন কৰা হয়।

তেজপুৰত কলিবাৰী চিত্ৰলেখা কৃষ্টি সংঘত ৭০ সংখ্যক ৰঙালী বিহু সন্মিলন আজি দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হৈছে।

শ্ৰীভূমি জিলাতো উৎসাহ-উদ্দীপনাৰ মাজেৰে ৰঙালী বিহু পালন কৰা হৈছে। জিলাখনৰ পুলিচ অতিথি গৃহত আয়োজিত মূল অনুষ্ঠানত পূজা-অৰ্চনা, উৎসৱৰ পতাকা উত্তোলন আৰু অন্যান্য আনুষ্ঠানিক কাৰ্যসূচীৰ জৰিয়তে উৎসৱৰ শুভাৰম্ভ কৰা হয়। পাছত বিভিন্ন সাংস্কৃতিক দলে বিহুগীত, নৃত্য পৰিৱেশন কৰে।

অসম সাহিত্য সভাৰ শিলচৰ শাখাৰ কাৰ্যালয়ৰ বাকৰিত আজি ৰঙালী বিহু উপলক্ষে পতাকা, শ্বহীদ তৰ্পণ আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী অনুষ্ঠিত হয়। পাছত মুকলি বিহুত সকলোৰে মিলি গীত-নৃত্য প্ৰদৰ্শন কৰে।

০০০০০

বড়ো জনগোষ্ঠীৰ লোকসকলে কালিৰে পৰা বৈশাগু উৎসৱ পালন কৰিছে। এই উপলক্ষে আজি বাথৌ মন্দিৰত প্ৰাৰ্থনা জনাই বড়ো ডেকাসকলে কান্ধত খাম, হাতত চিফুং, চেৰজা তুলি লৈ গঞাৰ ঘৰে ঘৰে গৈ বৈশাগু উৎসৱৰ গান গাব। এই উৎসৱ ৭ দিন ধৰি চলিব।

তামুলপুৰ জিলা সদৰত নিখিল বড়ো ছাত্ৰ সন্থাৰ তামুলপুৰ আঞ্চলিক সমিতিৰ উদ্যোগত আজি উলহ-মালহেৰে ৰংজালি বৈশাগু উদযাপন কৰা হয়। বড়ো জনগোষ্ঠীৰ চহকী পৰম্পৰা অনুসৰি আজিৰ এই পবিত্ৰ দিনটোত কনিষ্ঠজনে জ্যেষ্ঠজনৰ পৰা আশিস গ্ৰহণ কৰাৰ লগতে পৰস্পৰৰ মাজত সমন্বয়ৰ বাৰ্তা বিলোৱাৰ প্ৰচেষ্টা হাতত লোৱা হয়। বৈশাগু উৎসৱৰ কাৰ্যসূচী অনুসৰি কেইবাটাও সাংস্কৃতিক দলে পৰম্পৰাগত বৈশাগু গীত আৰু বাগৰুম্বাকে ধৰি বিভিন্ন নৃত্য পৰিৱেশন কৰে।

কোকৰাঝাৰ জিলাৰ বাগানশালীৰ বাথৌথানশালীত আজি ৰংজালি বৈশাগু উপলক্ষে বাথৌ আৰোজ অনুষ্ঠিত কৰা হয়। ভক্তসকলে বড়ো সম্প্ৰদায়ৰ আৰাধ্য দেৱতা বাথৌ বাউৰৰ বেদীত প্ৰাৰ্থনা কৰি বিশ্বশান্তি, সমৃদ্ধি আৰু সমাগত বছৰটোৰ বাবে আশীৰ্বাদ বিচাৰে।

বাক্সা জিলাতো কালিৰে পৰা পৰম্পৰাগত ৰীতি-নীতিৰে বৈশাগু পালন কৰা হৈছে। একেদৰে জিলাখনৰ সদৰ মুছলপুৰ, মহকুমা সদৰ শালবাৰী, অঞ্চলী, জালাহ, শিমলা, বৰমা, সাউদৰভিঠা, আনন্দবজাৰ, বাঁহবাৰী আদি বিভিন্ন ঠাইত বৈশাগু উৎসৱৰ আনন্দ মুখৰ পৰিৱেশে বিৰাজ কৰিছে।

গোৱালপাৰা জিলাৰ ৰংডোবা গাঁৱৰ বড়ো জনগোষ্ঠীৰ লোকসকলে বৈশাগু উৎসৱ পালনৰ বাবে সাজু হৈছে। গাঁওখনত অহা ১১ আৰু ১২ ব'হাগত ৰংজালী বৈশাগু উৎসৱ পালন কৰা হ'ব। ইয়াৰ বাবে প্ৰতিদিনে বাগৰুম্বা নৃত্যৰ অনুশীলন চলি আছে। আনহাতে কোচ ৰাজবংশীসকলেও তেওঁলোকৰ জাতীয় উৎসৱ বিষুৱা উদযাপন কৰিব।

০০০০০

তিৱা জনগোষ্ঠীৰ লোকসকলে আজি জনগোষ্ঠীটোৰ ৰঙালী বিহু পিচাক দমাচি পালন কৰে। বহাগৰ প্ৰথমটো বুধবাৰে জনগোষ্ঠীটোৰ লোকসকলে এই উৎসৱ পালন কৰে। তিৱা সংস্কৃতি দমাচি মানে উৎসৱ। এই উৎসৱত জনগোষ্ঠীটোৰ লোকসকলে নিজৰ পৰম্পৰাগত কৃষ্টি সংস্কৃতি প্ৰদৰ্শন কৰে। এই উৎসৱত তিৱাসকলৰ থলুৱা নৃত্য গীত, পৰম্পৰাগত সাজ

পাৰ, থলুৱা পানীয়, খৰিকাত দিয়া মাছ-মাংস আৰু পৰম্পৰাগত পিঠা-পনাৰ জুতি লোৱা হয়। তিৱাসকলৰ এই উৎসৱে অসমৰ চহা জীৱনৰ কৃষি আৰু প্ৰকৃতিৰ সৈতে মানুহৰ সম্পৰ্কক প্ৰতিফলিত কৰে।

ইপিনে, মৰিগাঁও জিলাত অহা ১৮ এপ্ৰিলৰ পৰা ২৬ এপ্ৰিললৈ গোভা ব'হাগ বিহু পালনৰ প্ৰস্তুতি আৰম্ভ হৈছে। চতুৰ্দশ শতিকাতে গোভা ৰজাই প্ৰচলন কৰা এই বিহুৱে তিৱা জনগোষ্ঠী আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত তিৱা লোকাচাৰসমূহক জীয়াই ৰখাৰ লগতে সমন্বয় সাধনত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। গোভা ব'হাগ বিহু পালন সন্দৰ্ভত গোভা দেওৰজা ৰাজদৰবাৰৰ সম্পাদক জুৰচিং বৰদলৈয়ে এনেদৰে কয়—

**বাইট**

০০০০০

বিহাৰৰ উপ-মুখ্যমন্ত্ৰী তথা বিজেপি নেতা সম্ৰাট চৌধুৰীয়ে আজি পাটনাৰ লোক ভৱনত আয়োজিত এটা অনুষ্ঠানত ৰাজ্যখনৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। পাটনাৰ ৰাজ্যপাল লেফটেনেণ্ট জেনেৰেল ছৈয়দ অটা হাচনাইনে তেওঁক পদ আৰু গোপনীয়তাৰ শপত গ্ৰহণ কৰায়। শ্ৰীচৌধুৰী ৰাজ্যৰ ২৪ সংখ্যক মুখ্যমন্ত্ৰী আৰু মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত বিজেপিৰ প্ৰথমগৰাকী নেতা। এই অনুষ্ঠানতে জনতা দল ইউনাইটেডৰ নেতা তথা চৰাইৰ বিধায়ক বিজয় কুমাৰ চৌধুৰী আৰু চুপলৰ বিধায়ক ব্ৰিজেন্দ্ৰ প্ৰসাদ যাদৱেও উপ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰু লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

ঃঃ সমাপ্ত ঃঃ